# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 03-10-2025
**Time :** 1800 Hrs.

## *Assamese Evening Bulletin*

ooooooo

ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত এছ আই টিয়ে কালি নিশা গ্ৰেপ্তাৰ কৰা জুবিন গাৰ্গৰ সহ কণ্ঠশিল্পী অমৃতপ্ৰভা মহন্ত আৰু বাদ্যযন্ত্ৰী শেখৰ জ্যোতি গোস্বামীক ১৪ দিনৰ আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰা হৈছে। চি আই ডিৰ বিশেষ তদন্তকাৰী গোটে পুৱা দুয়োকে কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়াধীশ দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱায়। পিছত আদালতে অভিযুক্ত শেখৰ জ্যোতি আৰু অমৃত প্ৰভাক ১৪ দিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে। উল্লেখযোগ্য যে, জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত গ্ৰেপ্তাৰ হোৱা মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক ঘটনা সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে সোধাপোছা অব্যাহত ৰাখিছে। ইপিনে ছিংগাপুৰত জুবিন গাৰ্গৰ সৈতে একেলগে সাগৰলৈ যোৱা আছাম এছ'চিয়েছনৰ ১১ জন সদস্যক অহা ৬ অক্টোবৰৰ ভিতৰত হাজিৰ হ'বলৈ বিশেষ তদন্তকাৰী গোটে জাননী জাৰি কৰিছে।

ইপিনে, ছিংগাপুৰত জুবিন ৰহস্যজনক মৃত্যুৰ পিছতে গ্ৰেপ্তাৰৰ পৰা হাত সাৰিবলৈ বিতৰ্কিত শ্যামকানু মহন্তই উচ্চতম ন্যায়ালয়ৰ কাষ চাপিছিল বুলি তথ্য পোহৰলৈ আহিছে। জনতাৰ শিল্পীগৰাকীৰ মৃত্যু সন্দৰ্ভত গোচৰ ৰুজু হোৱাৰ পিছতেই শ্যামকানু মহন্তই যোৱা ৩০ ছেপ্তেম্বৰত সৰ্বোচ্চ ন্যায়ালয়ত এখন ফৌজদাৰী লেখ আবেদন দাখিল কৰে। এই আবেদন দাখিল কৰাৰ পিছতে দিল্লীৰ বিমান বন্দৰত অসম আৰক্ষীয়ে অভিযুক্ত মহন্তক গ্ৰেপ্তাৰ কৰে। আত্মপক্ষ সমৰ্থন কৰি আৰু জীৱনৰ প্ৰতি ভাবুকি অহাৰ কথা ব্যক্ত কৰি মহন্তই এই আবেদন দাখিল কৰিছিল। জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত ৰাজ্যৰ ৫৪ খন এজাহাৰ দাখিল হৈছে বুলিও এজাহাৰত উল্লেখ কৰা হৈছিল। অভিযুক্ত মহন্তই এজাহাৰসমূহ একগোট কৰি কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা বা ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থাৰ জৰিয়তে তদন্ত কৰিবলৈ আবেদনত উল্লেখ কৰিছিল। ঘটনা সন্দৰ্ভত চি আই ডি অথবা বিশেষ তদন্তকাৰী গোটৰ তদন্ত প্ৰক্ৰিয়া নিৰপেক্ষ নহ'ব বুলি মহন্তই আবেদন যোগে উচ্চতম ন্যায়ালয়ক অৱগত কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত তেওঁক মিছাকৈ নাম সাঙুৰা বুলি আবেদনত উল্লেখ কৰে।

ooooooo

ৰাজ্যৰ বান সমস্যা সমাধানৰ বাবে জলসম্পদ বিভাগে ১৫ খন ঠাইত বৃহৎ জলাশয় খননৰ পৰিকল্পনা কৰিছে। নদী সংযোগ কৰি এই জলাশয়সমূহ খনন কৰা হ'ব। জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে গৃহ মন্ত্ৰালয়ে ইয়াৰ বাবে ৬৯২ কোটি টকাৰ অনুমোদন দিছে। শোণিতপুৰত এটা বৃহৎ জলাশয় খনন কৰা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

*-বাইট-*

বান প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ কাৰ্যকালত ৰাজ্যখনত ৯০০ কিলোমিটাৰ মথাউৰি নিৰ্মাণ কৰা হৈছে। ১৯৪৭ চনৰ পৰা ২০২১

চনলৈকে ৰাজ্যখনত চাৰে চাৰি হাজাৰ কিলোমিটাৰ মথাউৰি নিৰ্মাণ কৰা হৈছিল আৰু বিগত ৫ বছৰত ৯০০ কিলোমিটাৰ মথাউৰি নিৰ্মাণ কৰা হৈছে। তেওঁ কয়, যে ৰাজ্যখনত আৰু ডেৰশ কিলোমিটাৰ মথাউৰি নিৰ্মাণ কৰিবলৈ বাকী আছে। এই মথাউৰিসমূহ মেগা টিউব আৰু জিঅ' বেগ ব্যৱহাৰ কৰি শক্তিশালী ৰূপত নিৰ্মাণ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। মন্ত্ৰীগৰাকীয়ে কয়, যে বানৰ সমস্যাৰ বাবে ৰাজ্যৰ যিবোৰ অঞ্চলত পূৰ্বে এটা কৃষিকাৰ্যও কৰিব পৰাটো সম্ভৱ হৈ উঠা নাছিল তেনে অঞ্চলসমূহত এতিয়া বছৰত দিন দুই-তিনিটা কৃষি কাৰ্য কৰিব পৰা গৈছে। ধেমাজি, লখিমপুৰ, তিনিচুকীয়া, মাজুলী আৰু মৰিগাঁও জিলাৰ কৃষকসকলৰ লগতে বিভিন্ন জিলাত কৃষকসকলে এই ক্ষেত্ৰত সকাহ লাভ কৰিছে বুলি তেওঁ কয়। বাৰিষাৰ পূৰ্বেই প্ৰতিখন জিলাত বান প্ৰতিৰোধৰ বাবে কাম কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ বিশ্বনাথ জিলাৰ কেইবাটাও কাৰ্যসূচীত অংশ ল'ব। তেওঁ প্ৰথমে মহিলা উদ্যমিতা আঁচনিৰ অধীনত বিশ্বনাথ চাৰিআলিৰ কমলাকান্ত ক্ষেত্ৰত প্ৰায় ৩৮ হাজাৰ গৰাকী মহিলাক প্ৰথম বছৰৰ কিস্তিৰ ধন প্ৰদান কৰিব। ইয়াৰ পিছত তেওঁ জিলাখনৰ পাভৈত পঞ্চম অসম বেটেলিয়নৰ শুভাৰম্ভ কৰিব।

০০০০০০০

গোলাঘাট জিলাৰ সৰুপথাৰৰ অসম নাগালেণ্ড সীমান্তৰ বি চেক্টৰৰ চুঙাজানৰ টেঙাতল গাঁৱত যোৱানিশা নগা দুৰ্বৃত্তই কমেও ১০০টা বাসগৃহত অগ্নি সংযোগ কৰা ঘটনা সন্দৰ্ভত আজি জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ বিষয়ববীয়াই বুজ লয়। জিলাখনৰ আয়ুক্ত পুলক মহন্ত, আৰক্ষী অধীক্ষক ৰাজেন সিং, বন বিভাগৰ লোক, চি আৰ পি এফ, সীমান্ত দণ্ডাধীশ আৰু আৰক্ষীৰ অন্যান্য বিষয়া ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ সৱিশেষ বুজ লয়।

০০০০০০০

**সমাপ্ত**